# অসম বিধান সভা

**লিখিত প্ৰশ্ন নং : ৪৮৮**

উত্তৰ দিয়াৰ তাৰিখ – ২৩/০৭/২০২৬

**বিষয়ঃ ডিগবৈ তেল শোধনাগাৰৰ দায়বদ্ধতা সম্পৰ্কে।** **সদস্যৰ নামঃ শ্ৰীসুৰেন ফুকন ঃ**

**৪৮৮।** মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ডিগবৈ চহৰত অৱস্থিত ভাৰতীয় তেল নিগম অসম তেল সংমণ্ডলৰ অধীনৰ ডিগবৈ তেল শোধনাগাৰৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহৰ লগতে জনসাধাৰণৰ বিকাশৰ বাবে সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত বিগত ৫ বছৰত কিমান পুঁজি আৰু কোন কোন শিতানত ব্যয় কৰিলে বিতংকৈ জনাব।

(খ) এছিয়াৰ প্ৰথমটো তেল শোধনাগাৰ অৱস্থিত ডিগবৈ চহৰত সামাজিক দায়বদ্ধতা আঁচনিৰে কি কি প্ৰকল্প গঢ়ি তোলা হৈছে তাৰো বিতং তথ্য প্ৰদান কৰিব।

**উত্তৰঃ**

**মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়া দেৱে উত্তৰ দিবঃ**

(ক) শোধনাগাৰৰ কাষৰীয়া অঞ্চলসমূহৰ উন্নয়নৰ উদ্দেশ্যে ডিগবৈ শোধনাগাৰে যোৱা পাঁচটা বিত্তীয় বৰ্ষত কৰ্পৰেট সামাজিক দায়বদ্ধতা (CSR)-ৰ অধীনত কৰা ব্যয়ৰ বিৱৰণ তলত সূচীভুক্ত কৰা হৈছে।

| ক্ৰমিক নং | বিত্তীয় বৰ্ষ | ব্যয় (কোটি টকা) |
|---|---|---|
| ১ | ২০২১–২২ | ১০.৩৭ |
| ২ | ২০২২–২৩ | ১১.৭৯ |
| ৩ | ২০২৩–২৪ | ১৫.০১ |
| ৪ | ২০২৪–২৫ | ২২.৩৬ |
| ৫ | ২০২৫–২৬ | ১৪.০১ |

স্থান, অগ্ৰাধিকাৰপ্ৰাপ্ত ক্ষেত্ৰ (Thrust Area) আৰু ৰূপায়িত মুখ্য পদক্ষেপসমূহৰ সৈতে জড়িত বিশদ প্ৰকল্পসমূহৰ বিৱৰণ **পৰিশিষ্ট-ক** ত সন্নিৱিষ্ট কৰা হৈছে।

ডিগবৈ শোধনাগাৰৰ কৰ্পৰেট সামাজিক দায়বদ্ধতা (CSR) কাৰ্যসূচীসমূহ স্থানীয় জনসাধাৰণৰ সামগ্ৰিক সামাজিক-অৰ্থনৈতিক উন্নয়ন নিশ্চিত কৰাৰ লক্ষ্যৰে বিভিন্ন অগ্ৰাধিকাৰপ্ৰাপ্ত ক্ষেত্ৰত ৰূপায়ণ কৰা হৈছে। শোধনাগাৰৰ কাষৰীয়া অঞ্চলসমূহত ৰূপায়ণ কৰা মুখ্য কাৰ্যসূচীসমূহৰ সংক্ষিপ্ত বিৱৰণ তলত উল্লেখ কৰা হৈছে।

**১) স্বাস্থ্যসেৱা আৰু পুষ্টি:** এই ক্ষেত্ৰটো চি.এছ.আৰ. কাৰ্যসূচীৰ অন্যতম প্ৰধান অগ্ৰাধিকাৰপ্ৰাপ্ত ক্ষেত্ৰ। ইয়াৰ অন্তৰ্গত এ.অ'.ডি. চিকিৎসালয়ৰ পৰিচালনা আৰু ৰক্ষণাবেক্ষণৰ লগতে অসম অইল স্কুল/কলেজ অৱ নাৰ্চিংৰ ফ্লেগশ্বিপ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীৰ অধীনত জি.এন.এম. (GNM) আৰু বি.এছ.চি. (নাৰ্চিং) [B.Sc. (Nursing)] পাঠ্যক্ৰমত প্ৰতি বছৰে প্ৰতিটো পাঠ্যক্ৰমত ৩০ জনকৈ শিক্ষাৰ্থীক বিনামূলীয়াকৈ শিক্ষা প্ৰদান কৰা হয়। ইয়াৰ উপৰিও, যক্ষ্মা (TB) ৰোগ নিৰ্মূলৰ উদ্দেশ্যে 'টিবি মুক্ত অভিযান'ৰ জৰিয়তে যক্ষ্মা ৰোগীসকলক ৰোগ নিৰ্ণয় আৰু পুষ্টিগত সহায়তা প্ৰদান কৰাৰ লগতে ডিগবৈস্থিত 'মৃণালজ্যোতি পুনৰ্বাসন কেন্দ্ৰ'ৰ জৰিয়তে বিশেষভাৱে সক্ষম শিশুসকলৰ পুনৰ্বাসনমূলক সেৱা আগবঢ়োৱা হয়।

**২) শিক্ষা আৰু দক্ষতা বিকাশ:** এই ক্ষেত্ৰৰ অন্তৰ্গত কাৰ্যসূচীসমূহৰ ভিতৰত ভাৰতীয় অইলৰ 'আৰ্মী চেন্টাৰ অৱ এক্সেলেন্স এণ্ড ৱেলনেছ'ৰ জৰিয়তে আৰ্থ-সামাজিকভাৱে পিছপৰা ৪৫ জন পুৰুষ শিক্ষাৰ্থীক ৰাষ্ট্ৰীয় স্তৰৰ প্ৰৱেশ পৰীক্ষাৰ বাবে আৱাসিক প্ৰশিক্ষণ প্ৰদান কৰা হয়। লগতে, দুখন চৰকাৰী ঔদ্যোগিক

প্ৰশিক্ষণ প্ৰতিষ্ঠান (ITI) আৰু দুখন পলিটেকনিক প্ৰতিষ্ঠানৰ আৰ্থিকভাৱে দুৰ্বল শিক্ষাৰ্থীৰ বাবে 'জ্ঞানোদয় বৃত্তি আঁচনি' ৰূপায়ণ কৰা হৈছে। ইয়াৰ উপৰিও, ২২খনতকৈ অধিক স্থানীয় বিদ্যালয়লৈ কম্পিউটাৰ, আচবাব আৰু অন্যান্য শিক্ষামূলক আন্তঃগাঁথনিৰ সহায় আগবঢ়োৱা হৈছে।

৩) **মহিলা সৱলীকৰণ:** এই ক্ষেত্ৰৰ উল্লেখযোগ্য পদক্ষেপসমূহৰ ভিতৰত পোৱাই বন গাঁৱত চেনিটেৰী নেপকিন উৎপাদন ইউনিট স্থাপন কৰা আৰু বৰবিল গাঁও পঞ্চায়তৰ বিধৱা মহিলাসকলক চিলাই মেচিন প্ৰদান কৰাৰ লগতে চিলাই প্ৰশিক্ষণৰ ব্যৱস্থা কৰা অন্যতম।

৪) **পৰিৱেশ বহনক্ষমতা আৰু অনাময়:** এই ক্ষেত্ৰৰ অন্তৰ্গত উল্লেখযোগ্য পদক্ষেপসমূহৰ ভিতৰত ডিগবৈ চহৰত সম্পূৰ্ণ ষ্ট্ৰীট লাইটিং ব্যৱস্থা স্থাপন আৰু উচ্চ-মাষ্টত ৰাষ্ট্ৰীয় পতাকা (ত্ৰিৰংগ) স্থাপন অন্তৰ্ভুক্ত। ইয়াৰ উপৰিও, ডিগবৈৰ 'আদৰ্শ সেউজ প্ৰকল্প'ৰ জৰিয়তে জৈৱিক কৃষিৰ প্ৰসাৰ আৰু পৰিৱেশ-অনুকূল কৃষি পদ্ধতিৰ উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

৫) **ক্ৰীড়া, কলা আৰু সংস্কৃতি:** ডিগবৈ শতবাৰ্ষিক সংগ্ৰহালয়ৰ সংৰক্ষণ আৰু ৰক্ষণাবেক্ষণৰ জৰিয়তে স্থানীয় ঐতিহ্য সংৰক্ষণত সহায় আগবঢ়োৱাৰ লগতে তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাত ন খন গ্ৰাম্য ক্ৰীড়া খেলপথাৰ নিৰ্মাণৰ বাবে আৰ্থিক সহায় প্ৰদান কৰা হৈছে।

৬) **গ্ৰাম্য উন্নয়ন আৰু পশু কল্যাণ:** এই ক্ষেত্ৰৰ অন্তৰ্গত কাৰ্যসূচীসমূহৰ ভিতৰত অ-আই.অ'.চি.এল. (Non-IOCL) গ্ৰাহকসকলৰ বাবে বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, গ্ৰাম্য পথসমূহৰ মেৰামতি আৰু উন্নয়ন, লগতে ডিগবৈ বন সংমণ্ডলত বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰ্বাসন কাৰ্যসূচীত সহায় আগবঢ়োৱা আদি অন্তৰ্ভুক্ত।

(খ) কৰ্পৰেট সামাজিক দায়বদ্ধতা (CSR)-ৰ অধীনত এছিয়াৰ প্ৰথম শোধনাগাৰ ডিগবৈ শোধনাগাৰে ডিগবৈ চহৰৰ বাসিন্দাসকলৰ সামূহিক কল্যাণ আৰু নাগৰিক সুবিধা বৃদ্ধিৰ উদ্দেশ্যে ৰূপায়ণ কৰা নিৰ্দিষ্ট প্ৰকল্পসমূহৰ বিৱৰণ **পৰিশিষ্ট–ক** ত সন্নিৱিষ্ট কৰা হৈছে।

**(১) স্বাস্থ্যসেৱাৰ আন্তঃগাঁথনি:** ডিগবৈস্থিত সামূহিক স্বাস্থ্য কেন্দ্ৰ (Community Health Centre–CHC)-লৈ নিয়মীয়া সহায় আগবঢ়োৱা হৈছে। ইয়াৰ অন্তৰ্গত ICU আৰু Maternity Ward স্থাপন, আধুনিক চিকিৎসা সঁজুলি প্ৰদান, লগতে Solar Boundary Lights স্থাপন অন্তৰ্ভুক্ত।

**(২) সামূহিক সেৱা:** অ-আই.অ'.চি.এল. (Non-IOCL) গ্ৰাহকসকলৰ বাবে বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰাৰ লগতে ডিগবৈ চহৰ আৰু কাষৰীয়া গাঁও পঞ্চায়তসমূহত জৈৱ-শৌচাগাৰ (Bio-toilet) স্থাপন কৰা হৈছে।

**(৩) শিক্ষা আৰু প্ৰশিক্ষণ:** প্ৰধানমন্ত্ৰী ইণ্টাৰ্নশ্বিপ আঁচনি (PM Internship Scheme) ৰূপায়ণ কৰাৰ লগতে স্থানীয় শিক্ষানুষ্ঠানসমূহলৈ বিদ্যালয়ৰ আচবাব, কম্পিউটাৰ আৰু অন্যান্য ডিজিটেল শিক্ষাসঁজুলি বিতৰণ কৰা হৈছে।

**(৪) পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা:** ডিগবৈ চহৰৰ বিভিন্ন স্থানত Street Lights স্থাপন কৰাৰ লগতে দিহিং-পাটকাই অঞ্চলত বন্যপ্ৰাণী সংৰক্ষণ আৰু উদ্ধাৰ কাৰ্য অধিক ফলপ্ৰসূ কৰাৰ উদ্দেশ্যে উদ্ধাৰকাৰী বাহন (Rescue Vehicle) প্ৰদান কৰা হৈছে।

*********

উত্তৰ তথা **পৰিশিষ্ট 'ক'** অসম বিধানসভাৰ বেৱচাইট https://cms.neva.gov.in/ ত আপলোড কৰা হৈছে ।

পা. পৰিশিষ্ট - ক

Annexure-I

| Sl No. | Description | Village/ Town | State | Thrust area |
|---|---|---|---|---|
| 1 | AOD Hospital - **Flaghip** | Digboi | Assam | Healthcare |
| 2 | Upkeep of digboi centenary Museum | Digboi | Assam | Art & Culture |
| 3 | Accruing Drinking Water to Non IOCL consumers in and around Digboi under CSR- **continuing project** | Digboi | Assam | Drinking Water |
| 4 | Assam Oil School of Nursing (AOSN) and Assam Oil College of Nursing(AOCN) Operating Cost- Providing free BSc(N) and GNM courses to 30 underpriveleged girls in each course - Flaship | Digboi | Assam | Empowering Women |
| 5 | Facilities for Orphanage and Destitute Home in Tinsukia District | Digboi | Assam | Empowering Differently Abled |
| 6 | Providing Mortuary van to Margherita Aanchalik Panchayat , Digboi Municipal Board and Lions Club Digboi | Digboi | Assam | Environmental Sustainability |
| 7 | IndianOil Gyanodaya Scheme- neaby Polytecnic and ITI ( 4 numbers) - Flagship providing scholarship to 50 students each institite | Tinsukia/Dibrugarh/Dhemaji/Sibsagar | Assam | Education |
| 8 | Provision of Bio-toilets in Digboi Town, Golai Gaon Panchyat and Borbil Gaon Panchyat area | Digboi | Assam | Sanitation |
| 9 | Provision of one BLS ambulance to Assam Medical college, Dibrugarh . | Dibrugarh | Assam | Healthcare |
| 10 | Provision and installation of a colour Doppler ultrasonography machine at CHC Mahadevpur , Namsai. | Mahadevpur | Arunachal Pradesh | Healthcare |
| 11 | Entrepreneurship Development for underpriviliged women | Digboi | Assam | Skill Development |
| 12 | To impart skills to the local youth in warding off and anti-depredation activities wild elephants and other wild animals from township to the adjoining forest | Digboi | Assam | Animal Welfare |
| 13 | Sarve Santu Niramaya ( Health camp for both human and livestocks) | Digboi | Assam | Healthcare |
| 14 | Development and upgradation of Infrastructure and facilitues of AOSN | Digboi | Assam | Empowering Women |
| 15 | Repairing of Road passing through the villages near Nazirating Raw water treatment plant | Digboi | Assam | Rural Development |
| 16 | Provision of steps and railing at the remaining three sides of the Community pond at Digboi | Digboi | Assam | Environmental Sustainability |
| 17 | To Provide Computer UPS and Printer for 47 Schools in and around Digboi | Digboi | Assam | Skill Development |
| 18 | Providing Medical Equipments to Digboi CHC | Digboi | Assam | Healthcare |
| 19 | Running Indianoil -Army Centre of excellence for providing coaching to local students for admission to reputed engineering and medical colleges in collaboration with Indian Army- 45 numbers of male underprivieged student: upto Batch IV Continuing Project | Tinsukia | Assam | Skill Development |
| 20 | Health Camp - Sarve Santu Niramaya | Jagun/Pengeri | Assam | Healthcare |
| 21 | Providing X-Ray Machine with complete CR system at CHC-Chowkham & DH- Namsai | Namsai/Chowkham | Arunachal Pradesh | Healthcare |
| 22 | Providing sewing machines to widows under Borbil Gaon Panchyat including training | Digboi | Assam | Skill Development |
| 23 | Provision of complete street lighting in Digboi, for this project under CSR activities | Digboi town | Assam | Ensuring environmental sustainability |
| 24 | Installation of High mast tricolours in Digboi and Margherita Assembly Constituencies, Assam by IOCL from CSR Funds | Dogboi/Margherita | Assam | Promoting Education |
| 25 | Construction of auditorium at Megela Higher Secondary School, Tinsukia, Assam under IndianOil CSR. | Digboi | Assam | Promoting Education |
| 26 | Providing support for operation of rehabilitation centre for children and youth with Disabilities - Indianoil Mrinaljyoti Rehabiliation Centre (Nutritional ration kits to 25 beneficiaries, Travelling allowance to 25 beneficiaries , salary to the staff ( physiotherapist, case worker cum special educator , care taker & project coordinator ) & other administrative expenses )- Continuing project | Digboi | Assam | Healthcare |
| 27 | Providing Maternity ward, ICU, Surgical bed, Patient Bed etc at Civil Hospital, Digboi | Digboi | Assam | Healthcare |
| 28 | Providing Community Support (nutritional kits) to TB Patients of under TB Mukt Bharat Abhiyan | Tinsukia | Assam | Nutrition |
| 29 | Providing BLS Ambulance for Vevekananda Kendriya Vidalaya & Missionaries of Charity, at Tinsukia (Assam) | Tinsukia & Changlang | Assam & Arunachal Pradesh | Healthcare |
| 30 | Conducting two nos of health camps under Sarve Santu Niramaya | Digboi | Assam | Healthcare |
| 31 | Providing Medical Equipment for CHC, Mahadevpur -Aspirational District | Namsai | Arunachal Pradesh | Healthcare |
| 32 | Construction of 09 rural sports stadium under Indian Oil CSR for general public - 5 stadium handedover | Dibrugarh and Tinsukia | Assam | Sports |
| 33 | Providing X-Ray Machine with complete CR system at CHC-Chowkham,Namsai & District Hospital - Namsai | Namsai | Arunachal Pradesh | Healthcare |
| 34 | Distribution of Aids and Appliances to the Persons with Disabilities (Divyangjans) and Senior Citizens in Tinsukai and surrouding District thru' ALIMCO | Tinsukia | Assam | Healthcare |

| Sl No. | Description | Village/ Town | State | Thrust area |
|---|---|---|---|---|
| 35 | Empowering Asha workers in Dibrugarh and Tinsukia District,Providing specially design ,Sakhi Satchel | Dibrugarh and Tinsuklia | Assam | Healthcare |
| 36 | Providing medical equipment, hospital furniture and Solar boundary light to Community Health Centre, Digboi | Digboi | Assam | Healthcare |
| 37 | Providing nutritional support to Tinsukia District authority to contribute towards National TB Elimination Program under "100 Days Intensified Campaign on TB Elimination" | Tinsukia | Assam | Healthcare |
| 38 | Extension of Community Hall and Construction of Toilet at Tingrai Community Hall, Tinsukia District | Digboi | Assam | Rural Development |
| 39 | Health Camp in villages in and around Digboi Refinery-I (Makumkilla) | Digboi | Assam | Healthcare |
| 40 | Health Camp in villages in and around Digboi Refinery-II (Borbil) | Digboi | Assam | Healthcare |
| 41 | Health Camp in villages in and around Digboi Refinery-III (Lama Gaon) | Digboi | Assam | Healthcare |
| 42 | Providing CR system to CHC-Chowkham & DH- Namsai, Aspirational District - Namsai , Arunachal Pradesh | Namsai | Arunachal Pradesh | Healthcare |
| 43 | Providing Medical equipments and hospital furniture to Margherita First Refferal Unit | Tinsukia | Assam | Healthcare |
| 44 | Providing Medical Equipment and AC for Operation theater to Tinsukia Civil Hospital | Tinsukia | Assam | Healthcare |
| 45 | Contribution towards National TB Elimination Program, by providing diagnostic support to Tinsukia District authority and nutritional support to TB patient in Tinsukia District | Tinsukia | Assam | Healthcare |
| 46 | Providing BLS Ambulance to Digboi CHC, Margherita FRU, Doomdooma FRU, Lakhipather Sub Centre | Digboi | Assam | Healthcare |
| 47 | Provision of School Furniture to 22 schools in and around Digboi Refinery | Digboi | Assam | Education |
| 48 | SBA Activities (Swachhata lakshit Ekai - Water Bodies cleaning, Sapling and Dustbins distribution in Schools, Distribution of Jute bags and sanitatary kits to Safai Karmcharis etc.) | Digboi | Assam | Environmental Sustainability |
| 49 | Providing medical equipment, Hospital furniture, Computers, Printers, Ambulance and Solar Street Light to Pengree, MPHC | Digboi | Assam | Healthcare |
| 50 | Providing Medical equipment, Hospital furniture, Desktop Computer, Printers, Ambulance and Solar Street Light to Tirap Gate State Dispensary | Digboi | Assam | Healthcare |
| 51 | Providing medical equipment, Hospital furniture, Computers, Printers, Ambulance and Solar Street Lights to Ketetong, BPHC | Digboi | Assam | Healthcare |
| 52 | Providing Medical equipment, Hospital furniture, Desktop Computer, Printers and Ambulance to Jagun MPHC | Digboi | Assam | Healthcare |
| 53 | Providing financial support for operation of IndianOil Adarsh Seuj Prakalpa Project on organic farming and training to local farmers and students in collaboration with Rotary Club, Digboi | Digboi | Assam | Environmental Sustainability |
| 54 | Providing medical equipment, Hospital furniture, Computers, Printers and Solar Street Light to Inthem State Dispensary | Digboi | Assam | Healthcare |
| 55 | IndianOil - Aarohan: Rising Beyond Addiction "Establishment of De-Addiction Centre for Male Children" in Tinsukia District in collaboration with Tinsukia District Administration and FISS | Tinsukia | Assam | Healthcare |
| 56 | Setting up two sanitary napkin manufacturing units at Powai Forest Village, Digboi, Assam and 50 Dispenser at various public places in and around Digboi in collaboration with Paripoorna Learning Foundation | Digboi | Assam | Healthcare & Livelihood |
| 57 | Providing hearing aids to people with deafness in and around Digboi Refinery in collaboration with NHM, Assam and Deendayal Upadhayay Saravana Foundation | Tinsukia | Assam | Healthcare |
| 58 | Providing additional medical equipments to various Government Hospitals in Tinsukia District through Joint Director, Health Services, Tinsukia. | Tinsukia | Assam | Healthcare |
| 59 | Rescue and Rehabilitation of Wildlife of Digboi Forest Division under Dihing Patkai region under the banner "Indian Oil- Green Bud Wildlife Rescue and Rehabilitation Project" in collaboration with Divisional Forest Office , Digboi and We For You | Tinsukia | Assam | Animal Welfare |
| 60 | Providing Medical Equipment, Hospital Furniture, Desktop Computer and Printers to Doomdoma, FRU | Tinsukia | Assam | Healthcare |
| 61 | PM Internship Scheme - Flaghip | Tinsukia | Assam | Skill Development |
| 62 | Diagnostic support for TB Detection to Tinsukia District authority and nutritional support to TB patients | Tinsukia | Assam | Healthcare |
| 63 | 9600 Food Packets as nutritional support to 1600 TB patient for six months in Tinsukia District as a part of TB Mukt Abhiyan. | Tinsukia | Assam | Healthcare |
| 64 | 3 (Three) nos. of chip-based real-time PCR machines at PHCs of Aspirational District, Namsai (Arunachal Pradesh) for TB Mukt Bharat | Namsai | Arunachal Pradesh | Healthcare |
| 65 | Provision of 1 number of Haemodialysis Machine at Namsai | Namsai | Arunachal Pradesh | Healthcare |

Bonu